কোষ্টাৰিকাত ভাৰতীয় দূতাবাসৰ কার্যকৰীকৰণ

ভাৰতে 10 অক্টোবৰ 2026 ৰ পৰা কার্যকৰী হোৱাকৈ কোষ্টাৰিকাৰ ছান হোছেত নিজৰ নতুন আৱাসিক দূতাবাসৰ কার্যকৰীকৰণ কৰিছে।

দূতাবাসৰ ঠিকনা আদি তথ্যবোৰ তলত দিয়া ধৰণৰ:

ঠিকনা:

ভাৰতীয় দূতাবাস, ছান হোছে (কেম্প কার্যালয়)

ৰেছিডেঞ্চ ইন বাই মেৰিয়ট এস্কাজু

কমপ্লেজো এভেনিডা এস্কাজু,

অটোপ্রস্পেৰো. ফের্নান্দেজ,

ছান হোছে, 10203, কোষ্টাৰিকা

টেলিফোন: +506 2588-4300 এক্সটেনচন 304

ইমেইল: amb.sanjose@mea.gov.in

hoc.sanjose@mea.gov.in

2. কোষ্টাৰিকাত আৱাসিক ভাৰতীয় দূতাবাসৰ কার্যকৰীকৰণে মধ্য আমেৰিকাত ভাৰতৰ কূটনৈতিক উপস্থিতি সম্প্রসাৰণ কৰাত সহায় কৰিব আৰু ভাৰত তথা কোষ্টাৰিকাৰ মাজত দ্বিপাক্ষিক সম্পর্ক অধিক শক্তিশালী কৰিব। ই ঘনিষ্ঠ ৰাজনৈতিক সম্পর্ক সহজ কৰি তুলিব, দ্বিপাক্ষিক বাণিজ্য, বিনিয়োগ আৰু অর্থনৈতিক সহযোগিতা প্রসাৰিত কৰিব আৰু পৰস্পৰৰ স্বার্থজড়িত ক্ষেত্রসমূহত সহযোগিতা শক্তিশালী কৰিব।

3. দূতাবাসটোৱে জনসাধাৰণৰ মাজত ঘনিষ্ঠ সম্পর্ক গঢ়ি তোলাত আৰু আঞ্চলিক তথা বহুপাক্ষিক বিষয়সমূহক লৈ কোষ্টাৰিকাৰ সৈতে অধিক নিৰন্তৰ যোগাযোগ ৰক্ষা কৰাত সহায় কৰিব। ই কোষ্টাৰিকাত থকা ভাৰতীয় নাগৰিক আৰু ভাৰতীয় সম্প্রদায়ক উন্নত কনচুলাৰ সেৱা আগবঢ়াব আৰু তেওঁলোকৰ স্বার্থ সুৰক্ষিত কৰাত সহায় কৰিব।

নতুন দিল্লী

অক্টোবৰ 13, 2026